**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।  বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন।

২।  অসম বিধানসভা নিৰ্বাচনত সকলোধৰণৰ EXIT POLL আৰু মতামত সমীক্ষা প্ৰচাৰত নিৰ্বাচন আয়োগৰ নিষেধাজ্ঞা জাৰি ।

৩।  নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিত শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৪।  অশোকাষ্টমী উপলক্ষে আজি ব্ৰহ্মপুত্ৰৰ পাৰত অগণন লোকৰ সমাগম।  **আৰু**

৫।  মালেত অনুষ্ঠিত ছাফ আণ্ডাৰ টুৱেণ্টি চেম্পিয়নশ্বিপ ফুটবল প্ৰতিযোগিতাত আজি ভাৰত আৰু পাকিস্তান মুখামুখি।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকলৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। আজি বিয়লি ৩ বজা পৰ্যন্ত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব।

ৰাজ্যৰ মুঠ ১২৬টা বিধানসভা সমষ্টিত মনোনয়ন পত্ৰ পৰীক্ষা কৰাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। দুগৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে অভিযোগ-প্ৰতি অভিযোগৰ পৰিপ্ৰেক্ষিতত মনোনয়ন পত্ৰৰ পৰীক্ষা স্থগিত ৰখা শোণিতপুৰৰ ঢেকীয়াজুলি সমষ্টিৰ দুয়োগৰাকীৰে মনোনয়ন কালি বৈধ বুলি ঘোষণা কৰা হয়। ২৪ নম্বৰ বৰপেটা সমষ্টিত এখন মনোনয়ন পত্ৰ বাতিল কৰা হৈছে আৰু ৩ খন বৈধ বিবেচিত হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিতে শাসক-বিৰোধী উভয় পক্ষই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা, বজালী আৰু মঙলদৈত বিজেপিৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি লামডিঙত দলীয় প্ৰাৰ্থী শিবু মিশ্ৰ আৰু হোজাইত দলীয় প্ৰাৰ্থী শিলাদিত্য দেৱৰ হৈ প্ৰচাৰত ভাগ লয়। ইয়াৰ আগেয়ে ড° শৰ্মাই নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাতো অংশ লয়।

বিজেপি আৰু কংগ্ৰেছ দলে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। ২৯ মাৰ্চ, ২ এপ্ৰিল আৰু ৭ এপ্ৰিলত গৃহমন্ত্ৰী অমিত শ্বাহে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ কথা। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

**ৰাইট (চি এম)**

কংগ্ৰেছেও কেইবাগৰাকী তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

**ডিব্ৰুগড়** জিলাৰ ৬টা বিধানসভা সমষ্টিত শাসক-বিৰোধী দলে নিৰ্বাচন প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। নাহৰকটীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী তৰংগ গগৈয়ে কালি টেঙানি, শালমাৰী অঞ্চলকে ধৰি কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। চাবুৱা-লাহোৱাল সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিনোদ হাজৰিকায়েও চাবুৱা, ভৰলোৱা অঞ্চলত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰেও দলীয় সমৰ্থকৰ সহযোগত কেইবাখনো গাঁৱৰ লগতে চাহ বাগান অঞ্চলত নিৰ্বাচনী প্ৰচাৰ চলাই। খোৱাং সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে সমষ্টিটোত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী প্ৰশান্ত ফুকনেও নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

**বাক্সা** জিলাৰ মানাহ বিধানসভা সমষ্টিত এন ডি এ সমৰ্থিত বি পি এফ দলৰ প্ৰাৰ্থী থানেশ্বৰ বসুমতাৰীয়ে নিৰ্বাচনী প্ৰচাৰ চলাই আছে। সমষ্টিটোৰ সৰু মানিকপুৰত কালি প্ৰাক্তন সাংসদ তথা জি এছ পি প্ৰাৰ্থীৰ নৰকুমাৰ শৰণীয়াই ভোটাৰৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। লগতে সমষ্টিটোৰ শিমলাত কালি বি পি পি এলৰ জোছৰাম ব্ৰহ্মাই নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। সমষ্টিটোত বিৰোধীৰ প্ৰাৰ্থীসমূহেও প্ৰচাৰ অভিযান চলোৱাৰ প্ৰস্তুতি চলাইছে। তামুলপুৰ বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিশ্বজিৎ দৈমাৰীয়ে কালি বাক্সা জিলাৰ বাগানপাৰাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ লগতে তেওঁ অঞ্চলটোত নিৰ্বাচনী প্ৰচাৰ চলায়।

বিজেপিৰ নেত্ৰী তথা ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগে কালি **গোলাঘাট** বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰত অংশ লয়। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে কালি **সৰভোগ**ত সমষ্টিটোৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰৰ সমৰ্থনত প্ৰচাৰ অভিযান চলায়। তেওঁ **বৰপেটা**ৰ মন্দিয়া সমষ্টিৰ দলীয় প্ৰাৰ্থী আব্দুল খালেকৰ হৈ প্ৰচাৰ চলাই বান খহনীয়াত আক্ৰান্ত ৰাইজৰ সমস্যা সমাধান প্ৰতিশ্ৰুতি দিয়ে। **ধেমাজী**ত কালি সমষ্টিটোৰ প্ৰাৰ্থী ডাঃ ৰণোজ পেগুৱে উত্তৰ ধেমাজীৰ ছটা স্থানত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। দলৰ নেতা দেবব্ৰত শইকীয়াই নাজিৰা বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়।

oooooo

বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণভাৱে পৰিচালনা কৰাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। **ধুবুৰী** জিলাত নিৰ্বাচনী বিষয়াৰ নেতৃত্বত জিলাখনত ভোটাৰ সজাগতা অভিযান অব্যাহত আছে। ভোটাধিকাৰৰ সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ বাবে যিকোনো প্ৰকাৰৰ উত্তেজনা বা অপ্ৰিয় ঘটনা এৰাই চলিবলৈ জনসাধাৰণক জিলা প্ৰশাসনে আহ্বান জনাইছে। আৰক্ষী বিভাগেও যিকোনো পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ প্ৰস্তুত আছে বুলি জানিবলৈ দিয়ে। নদী আৰু চৰ অঞ্চলত ভোট গ্ৰহণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে জিলা প্ৰশাসনৰ তৰফৰ পৰা প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে জিলাখনৰ ৪০৪টা ভোটকেন্দ্ৰ চৰ অঞ্চলত আছে আৰু ইয়াৰে ১০৩টা ৰাজ্যিক সীমান্তত অৱস্থিত তথা ৬১টা ভোটকেন্দ্ৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত সংলগ্ন হৈ আছে। ভোটাৰৰ অভিজ্ঞতা উন্নত কৰাৰ বাবে জিলাখনত ৫টা আদৰ্শ ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। ২৬টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব বুলি জিলা প্ৰশাসনে জানিবলৈ দিয়ে।

**গোৱালপাৰা** জিলাৰ ৪টা বিধানসভা সমষ্টিৰ নিৰ্বাচনী কাম-কাজ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ দ্বাৰা পৰিচালিত হৈ আছে। জিলা প্ৰশাসনে নিৰ্বাচনৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি চলাই আছে। ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন, ভোটাৰ ৰাইজৰ মাজত সজাগতা অভিযান আদি জিলা প্ৰশাসনে হাতত লৈছে। আসন্ন এই বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন হ'ব বুলি জিলা আয়ুক্ত প্ৰদীপ টিমুঙে আশা প্ৰকাশ কৰে।

**বাইট (প্ৰদীপ টিমুং )**

**শিৱসাগৰত** নিৰ্বাচন নিকা আৰু সফলতাৰে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে সকলোধৰণৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। আন্তঃগাঁথনি নিৰ্মাণ তথা উন্নীতকৰণ, বিভিন্ন নিৰ্বাচনী কোষ গঠন, পৰিচালনা আৰু বিভিন্ন পৰ্যায়ৰ

প্ৰশিক্ষণ প্ৰদান, নিৰ্বাচনী আচৰণ বিধিৰ কাৰ্যকৰীকৰণ আদি বিভিন্ন প্ৰস্তুতি চলাই থকা হৈছে। ইয়াৰ লগতে সাধাৰণ ভোটদাতাৰ লগতে বিশেষকৈ যুৱপ্ৰজন্ম আৰু নতুন ভোটদাতাসকলক ভোটদানৰ বাবে সজাগ আৰু উৎসাহিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনে প্ৰণালীবদ্ধ ভোটাৰ সাক্ষৰতা আৰু নিৰ্বাচনী অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

000000

নিৰ্বাচন আয়োগে অসমত বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ সময়ছোৱাত ৪৮ ঘণ্টাজুৰি সুৰা নিষিদ্ধ ঘোষণা কৰাৰ বাবে ৰাজ্যৰ মুখ্য সচিবক নিৰ্দেশ দিছে। এই অনুসৰি ৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ভোটগ্ৰহণৰ দিনা অৰ্থাৎ ৯ এপ্ৰিলৰ বিয়লি ৫ বজালৈ মজুত আৰু সৰবৰাহ নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে ৪ মে'ৰ ভোটগণনাৰ দিনটোতো সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। জনপ্ৰতিনিধিত্ব আইন ১৯৫১-ৰ ১৩৫ (গ) ধাৰা অনুসৰি আয়োগে এই সময়ছোৱাত কোনোধৰণৰ নিচাযুক্ত দ্ৰব্যৰ বিক্ৰী, সৰবৰাহ আৰু হোটেল, ৰেস্তোঁৰাকে ধৰি বিভিন্ন স্থানত ইয়াৰ ব্যৱহাৰতো নিষেধাজ্ঞা আৰোপ কৰিছে।

আয়োগে লগতে নিৰ্বাচনৰ ৰিটাৰ্নিং বিষয়া আৰু সহকাৰী ৰিটাৰ্নিং বিষয়াসকলক ভোটগণনাৰ দিনা ম'বাইল ফোন লৈ যোৱাৰ ক্ষেত্ৰতো কেতবোৰ চৰ্ত আৰোপ কৰিছে। এইক্ষেত্ৰত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়াক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। ইলেকট্ৰনিকেলি ট্ৰান্সমিটেড প'ষ্টেল বেলট মেনেজমেণ্ট চিষ্টেমৰ ব্যৱহাৰৰ বাবে ৰিটাৰ্নিং বিষয়াসকলৰ ম'বাইল ফোনত এটা অ' টি পি দিবলৈ কোৱা হৈছে। এই ব্যৱস্থাৰ সৈতে অ' টি পিৰ সহায়ত সংযোগ কৰা ম'বাইল ফোনটোহে গণনাকক্ষলৈ নিবলৈ অনুমতি দিয়া হ'ব বুলি আয়োগে প্ৰকাশ কৰিছে। তদুপৰি ম'বাইল ফোন ব্যৱহাৰকাৰীসকলে এখন স্পষ্টীকৰণত স্বাক্ষৰ কৰিব লাগিব বুলি কোৱা হৈছে।

000000

নগাঁও জিলাৰ মুঠ ৭ টা বিধানসভা সমষ্টিৰ অন্তৰ্গত অন্যতম এক গুৰুত্বপূৰ্ণ সমষ্টি হৈছে ৬০ নং নগাঁও-বটদ্ৰবা বিধানসভা সমষ্টি। আগন্তুক ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ বাবে এইবাৰ সমষ্টিটোৰ পৰা মুঠ ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই প্ৰাৰ্থী ৩ গৰাকী হৈছে

(১) বিজেপি-অগপ মিত্ৰজোঁট তথা সমষ্টিটোৰ পৰা বিগত দুটা কাৰ্যকালৰ বিধায়ক ৰূপক শৰ্মা।

(২) ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ হৈ সমষ্টিটোৰ প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা

আৰু

(৩) ছ'চিয়েলিষ্ট ইউনিটি চেণ্টাৰ অৱ ইণ্ডিয়া ( কমিউনিষ্ট) দলৰ বৰ্ণালী শৰ্মা।

আটাইকেইগৰাকী প্ৰাৰ্থীৰে মনোনয়ন পত্ৰ ইতিমধ্যে বৈধ হিচাপে নিৰ্বাচন আয়োগে ঘোষণা কৰিছে।

সমষ্টি পুনঃ নিৰ্ধাৰণৰ পিছত ৬০ নম্বৰ নগাঁও-বটদ্ৰবা সমষ্টিৰ পৰিসীমাৰ কিছু পৰিৱৰ্তন হৈছে। ইতিমধ্যে বিলোপ হোৱা বটদ্ৰৱা বিধানসভা সমষ্টি আৰু বঢ়মপুৰ বিধানসভা সমষ্টিৰ বৃহৎ অঞ্চল বৰ্তমানৰ নগাঁও-বটদ্ৰবা সমষ্টিৰ অন্তৰ্ভুক্ত হৈছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি নগাঁও-বটদ্ৰবা সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ১ লাখ ৯৭ হেজাৰ ২৮৪ গৰাকী। ইয়াৰ ভিতৰত ৯৫ হেজাৰ ৩৪৮ জন পুৰুষ, ১ লাখ ১ হেজাৰ ৯৩০ গৰাকী মহিলা আৰু ৬ গৰাকী তৃতীয় লিংগৰ ভোটাৰ আছে।

২০২১ চনৰ ২৭ মাৰ্চত অনুষ্ঠিত হোৱা অসম বিধানসভা নিৰ্বাচনত জালুকবাৰী সমষ্টিৰ পৰা মুঠ ২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰূপক শৰ্মা আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ হৈ শান্তনু শৰ্মাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ২০২১ চনৰ ২ মে'ত ঘোষিত নিৰ্বাচনৰ ফলাফল অনুসৰি ৰূপক শৰ্মাই সৰ্বাধিক ভোট লাভ কৰি সমষ্টিটোত জয়লাভ কৰিবলৈ সক্ষম হৈছিল।

০০০০০০

আজি অশোকাষ্টমী। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত মৃতকৰ অস্থি আৰু পিণ্ড দান কৰিবলৈ ব্ৰহ্মপুত্ৰৰ পাৰত অগণন লোকৰ সমাগম হৈছে। ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰতো পুৱাৰেপৰা বহু লোকৰ সমাগম হৈছে। পুৱাৰে পৰা হাজাৰ হাজাৰ ভক্তই বৰলুইতৰ পাৰত স্নানৰ বাবে উপস্থিত হৈছে। অশোকাষ্টমীৰ দিনটোত সনাতন ধৰ্মৰ লোকসকলে ধৰ্মীয় নীতি-নিয়ম ৰক্ষা কৰি স্নান কৰাৰ পৰম্পৰা চলি আহিছে। ধুবুৰীৰ বিভিন্ন প্ৰান্তৰ লগতে পশ্চিমবংগ, বিহাৰৰ অসংখ্য ভক্তৰ আগমনত ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ পাৰ তীৰ্থস্থানত পৰিণত হৈছে। অশোকাষ্টমী স্নানৰ লগত সংগতি ৰাখি প্ৰতি বছৰৰ দৰেই এইবাৰো আজি ধুবুৰীত ১৫-দিনীয়া অশোকাষ্টমী মেলা আৰম্ভ হৈছে। অৱশ্যে নিৰ্বাচনৰ বাবে তিনিদিন মেলা বন্ধ ৰখা হ'ব। মেলাখনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া পশ্চিমবংগৰ ব্যৱসায়ীসকলেও অস্থায়ী বিপণীৰ জৰিয়তে অংশগ্ৰহণ কৰিছে। মেলা উপলক্ষে ধুবুৰী জিলা প্ৰশাসনে ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মেলাস্থলীত সুৰা বিক্ৰী আৰু সেৱন নিষিদ্ধ কৰা হৈছে। ভক্তসকলৰ সুবিধাৰ্থে স্বেচ্ছাসেৱী সংগঠনে থকা-খোৱাৰ ব্যৱস্থা কৰাৰ লগতে চহৰখনৰ স্বচ্ছতাৰ দিশত গুৰুত্ব দিছে।

কামৰূপ জিলাৰ শুৱালকুছিত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে অশোকাষ্টমী মেলা অনুষ্ঠিত হৈছে। লগতে উত্তৰ গুৱাহাটীৰ অশ্বক্ৰান্ত দেৱালয়ৰ উদ্যোগত আয়োজিত মেলাত ব্ৰহ্মপুত্ৰৰ পাৰত থকা বিষ্ণুকুণ্ডত অস্থি আৰু পিণ্ড বিসৰ্জন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা যাত্ৰীসকলে পুৱাৰেপৰা ব্ৰহ্মপুত্ৰৰ পাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে। অশ্বক্ৰান্ত দেৱালয় সমিতিয়ে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰীৰ শুক্ৰেশ্বৰ ঘাট, পলাশবাৰী আৰু বৰপেটা জিলাৰ বহৰিৰ ব্ৰহ্মপুত্ৰৰ পাৰতো অগণন লোক অশোকাষ্টমী উপলক্ষে পিণ্ডদানৰ বাবে উপস্থিত হৈছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসমূহৰ মাজত ব্যাপক নিৰ্বাচনী তৎপৰতা, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত ছিংগাপুৰত ক'ৰ'নাৰ্ছ আদালতৰ চূড়ান্ত ৰায়দান, যুদ্ধৰ অৱসানৰ বাবে ইৰানৰ কেইবাটাও চৰ্ত আদি ভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

শিৱসাগৰত **অসমীয়া প্ৰতিদিন** কাকতৰ টোপোলা জ্বলাই দিয়া কাৰ্যৰ বিৰুদ্ধে বিভিন্ন দল-সংগঠন আৰু বৌদ্ধিক মহলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ বাতৰি কাকতখনে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতখনেও বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অত্যাধিক সুৰা সেৱনৰ বাবে জুবিন গাৰ্গৰ মৃত্যু হোৱা বুলি ছিংগাপুৰৰ কৰ'নাৰ্ছ আদালতে দিয়া চূড়ান্ত ৰায়দানৰ বাতৰি **অসমীয়া খবৰ, দি আছাম ট্ৰিবিউন, দৈনিক অগ্ৰদূত** আদিৰ লগতে প্ৰায় আটাইকেইখন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

পাঁচ বছৰত ৰাজ্যৰ ১৭ গৰাকী মন্ত্ৰীৰ সম্পত্তি বৃদ্ধি পালে ১৫০ শতাংশ–এই শিৰোনামৰ এটা বাতৰি **দৈনিক অসম** কাকতৰ।

মধ্য প্ৰাচ্যৰ যুদ্ধৰ প্ৰভাৱত ৰাজ্যজুৰি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ নাটনিৰ আশংকা সন্দৰ্ভত **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

নিৰ্বাচন আয়োগে সকলোধৰণৰ EXIT POLL আৰু মতামত সমীক্ষা প্ৰচাৰত নিষেধাজ্ঞা জাৰি কৰাৰ বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ভাৰতৰ ২০ বছৰ অনূৰ্ধ্বৰ পুৰুষ দলটোৱে আজি মালেত পাকিস্তানৰ বিৰুদ্ধে হ'বলগীয়া এখন বহু প্ৰতীক্ষিত খেলেৰে ছাফ আণ্ডাৰ টুৱেণ্টি চেম্পিয়নশ্বিপ ফুটবল প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান আৰু বাংলাদেশৰ সৈতে গ্ৰুপ-বিত ৰখা হৈছে। ভাৰত অহা শনিবাৰে প্ৰতিযোগিতাত নিজৰ দ্বিতীয়খন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

গ্ৰুপ-বিৰ প্ৰথমখন খেলত বাংলাদেশে পাকিস্তানক ২-০ গ'লত পৰাস্ত কৰিছিল। প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ পাকিস্তানৰ বাবে আজিৰ খেলখন অতি গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। ভাৰতীয় দলৰ প্ৰশিক্ষক মহেশ গাৱালিয়ে আজিৰ খেলখনত ভাৰতে সুন্দৰ প্ৰদৰ্শন আগবঢ়াব বুলি আশা প্ৰকাশ কৰিছে। সমাগত এ এফ চি আণ্ডাৰ টুৱেণ্টি এছিয়ান কাপ কোৱালিফায়াৰ্ছ প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ বাবে চলিত প্ৰতিযোগিতাখনৰ গুৰুত্ব বৃদ্ধি পাইছে।

oooooo

অসমীয়া ধাৰাবাহিক বৰলাকাইৰ কেৰ্পা নামৰ চৰিত্ৰটোৰে জনপ্ৰিয় হোৱা বৰপেটা জিলাৰ পাটবাউসীৰ বাসিন্দা কবিন দাসৰ আজি পুৱা বৰপেটা কৰ্কট প্ৰতিষ্ঠানত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫০ বছৰ। পেছাগতভাৱে অভিনয়ৰ সৈতে জড়িত দাস প্ৰধানকৈ মঞ্চ নাটৰ সৈতে জড়িত আছিল। তেওঁ ভ্ৰাম্যমান থিয়েটাৰতো অভিনয় কৰিছিল। অভিনেতাগৰাকীৰ বিয়োগত বৰপেটাৰ লগতে ৰাজ্যজুৰি শোকৰ ছাঁ পৰিছে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, অসম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

oooooo

oooooo

oooooo

oooooo

oooooo

oooooo

oooooo

**সমাপ্ত**